Total No. of Printed Pages—3

**5 SEM TDC ASM M 4**

**2017**

( November )

ASSAMESE

( Major )

Course : 504

( তুলনামূলক ভাৰতীয় সাহিত্য )

*Full Marks* : 80

*Pass Marks* : 32 / 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) তুলনামূলক ভাৰতীয় সাহিত্য সম্পৰ্কে তুলনাবিদ আলোচকসকলে আগবঢ়োৱা বিভিন্ন মতৰ আধাৰত তুলনামূলক সাহিত্যৰ এটি সংজ্ঞা প্ৰস্তুত কৰাঁ। ১৪

অথবা

(খ) তুলনামূলক সাহিত্যৰ বৈশিষ্ট্যসমূহ চিনাক্ত কৰি তুলনামূলক সাহিত্যৰ স্বৰূপ ব্যাখ্যা কৰাঁ।

২। (ক) তুলনামূলক সাহিত্যৰ অন্তৰ্গত বিষয়সাৰ তত্ত্ব পদ্ধতি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) সাহিত্যিক স্বৱৰ্তন (Literary survival) সম্পৰ্কে উদাহৰণসহ এটি টোকা প্ৰস্তুত কৰাঁ।

৩। (ক) তুলনামূলক ভাৰতীয় সাহিত্যৰ বিকাশৰ বিভিন্ন স্তৰ সম্পৰ্কে এটি পৰিচয়সূচক টোকা প্ৰস্তুত কৰাঁ। ১৫

*অথবা*

(খ) তুলনামূলক ভাৰতীয় সাহিত্যই সামৰি লোৱা পৰিসৰসমূহ উল্লেখ কৰি এটি আলচ যুগুত কৰাঁ। ৫+১০=১৫

৪। বিষয়বস্তুগত দিশত তলত দিয়া যি কোনো এটিৰ বিষয়ে তুলনামূলক আলোচনা আগবঢ়োৱাঁ : ১৫

(ক) 'বাঁহী' বিষয়ক লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতা

(খ) 'মা' বিষয়ক ধীৰুবহন পেটেল আৰু মন্নু ভাণ্ডাৰীৰ গল্প

৫। তুলনামূলক সাহিত্যৰ অধ্যয়নত অনুবাদৰ প্ৰয়োজন আছেনে—যুক্তি সহকাৰে আলোচনা কৰাঁ। ১৫

৬। চমু টোকা লিখাঁ (যি কোনো এটা) :

(ক) সাহিত্য আৰু ইতিহাস

(খ) সাহিত্য আৰু দৰ্শন



( Continued )



৭। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) মেথিউ আৰ্নল্ডে কোনখন বিশ্ববিদ্যালয়ত 'প্ৰফেছৰ অৱ পয়েট্ৰি' হিচাপে তুলনামূলক সাহিত্যৰ বিষয়ে বক্তৃতা প্ৰদান কৰিছিল?

(খ) পছনেটে লিখা তুলনামূলক সাহিত্য বিষয়ক প্ৰথম গ্ৰন্থখনৰ নাম লিখাঁ।

(গ) ইউৰোপৰ কোনখন বিশ্ববিদ্যালয়ত প্ৰথম তুলনামূলক সাহিত্যৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হৈছিল?

(ঘ) "ভিন ভিন ভাষাত প্ৰকাশ হ'লেও ভাৰতীয় সাহিত্য একক আৰু অখণ্ড।" কোনে কৈছিল?

(ঙ) ভাৰতৰ কোনখন বিশ্ববিদ্যালয়ত প্ৰথম তুলনামূলক সাহিত্যৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হৈছিল?

(চ) 'Recreation'ৰ অসমীয়া পৰিভাষা কি?

(ছ) বিদ্যায়তনিক বিষয় হিচাপে তুলনামূলক সাহিত্যক অসমত কোনে প্ৰতিষ্ঠা কৰিলে?

(জ) 'তুলনামূলক সাহিত্য ঃ সিদ্ধান্ত আৰু প্ৰয়োগ' গ্ৰন্থখন কোনে লিখা?

★★★